**3 (Sem–2) ASM M 2**

**2 0 1 4**

Bijni College Library
P.O. Bijni, Dist. Chirang
(B.T.A.D) Assam

ASSAMESE

( Major )

Paper : 2.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×১০=১০

(ক) "তাৰে কেইটিমান কবিতা সোণপানীৰে ছপাই বন্ধাই থবলগীয়া।" লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাৰ বিষয়ে কৰা এই মন্তব্যটোৰ সমালোচকগৰাকী কোন?

(খ) 'ৰাজপথ' নামৰ কবিতাটোৰ ৰচক কোন?

(গ) 'নাটকীয় একোক্তি' (Dramatic monologue) প্ৰয়োগ হোৱা এটি অসমীয়া কবিতাৰ নাম উল্লেখ কৰা।

(ঘ) ছনেট বা চতুৰ্দ্দশপদী কবিতা ৰচনা কৰা প্ৰথমগৰাকী ভাৰতীয় কবিৰ নাম লিখা।

(ঙ) আধুনিক অসমীয়া কবিতাৰ প্ৰথমখন সংকলন 'আধুনিক অসমীয়া কবিতা' কোনে সম্পাদনা কৰি উলিয়াইছিল?

(চ) 'মহাভাৰত'ৰ আধাৰত ৰচিত এটি কবিতাৰ নাম উল্লেখ কৰা।

(ছ) শ্যেলীয়ে কবিতা সম্পৰ্কে দিয়া সংজ্ঞাটো উল্লেখ কৰা।

(জ) কোন চনত ইংৰাজী সাহিত্যত ৰোমাণ্টিক যুগ আৰম্ভ হয়?

(ঝ) 'ছোভিয়েট লেণ্ড নেহৰু বঁটা' পোৱা এগৰাকী অসমীয়া কবিৰ নাম লিখা।

(ঞ) অমিত্ৰাক্ষৰ ছন্দ প্ৰয়োগ হোৱা এটি অসমীয়া কবিতাৰ নাম লিখা।

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) 'পছোৱা' নামৰ আলোচনীখনি কোন চনত প্ৰথম প্ৰকাশ পাইছিল আৰু ইয়াৰ প্ৰথমগৰাকী সম্পাদক কোন আছিল?

(খ) মুক্তক ছন্দৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(গ) অতীন্দ্ৰিয়বাদী ভাৱধাৰা প্ৰকাশ পোৱা দুটা অসমীয়া কবিতাৰ নাম উল্লেখ কৰা।

(ঘ) দেৱকান্ত বৰুৱাৰ কবিতাত থকা দুটা ৰোমাণ্টিক বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) 'ওমৰতীৰ্থ' কাৰ ৰচনা? এই পুথিখনি অসমীয়ালৈ কোনে অনুবাদ কৰে?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) “জীৱন-যুদ্ধত ক্লান্ত কোনো এক নাৱৰীয়াৰ দৰে
চকুত অনেক যাৰ স্বপ্ন ভঙা গান”

এই কবিতাষাৰিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কবিতা ‘নদী’ৰ কবি ৰাম গগৈৰ কবিতাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(গ) কবিতাৰ মিত্ৰাক্ষৰ আৰু অমিত্ৰাক্ষৰ ছন্দৰ মাজত থকা পাৰ্থক্য নিৰ্ণয় কৰা।

(ঘ) “সকলোকে দেখা তুমি, সকলোতে ফুৰি
আঁকা ছবি সকলোৰে; তুমি চিত্ৰকৰ।”

হিতেশ্বৰ বৰবৰুৱাই কি কাৰণে কবিক চিত্ৰকৰ বুলি অভিহিত কৰিছে, বিচাৰ কৰা।

(ঙ) ৰঘুনাথ চৌধাৰীয়ে ‘কেতেকী’ কবিতাটিত মানুহৰ এই পৃথিৱীখন নন্দনকানন বা অমৰাৱতী নহয় বুলি কিয় কৈছে, বিচাৰ কৰা।

(চ) নীলমণি ফুকনৰ ‘মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি’ কবিতাটিত গ্ৰাম্য সমাজৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) "ৰোমাণ্টিক কবিতাৰ কল্পনা আৰু ভাববিলাসৰ আতিশয্য পৰিহাৰ কৰি কবিতাক নতুন যুগৰ বাণীবাহকৰূপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা চলায় চল্লিশৰ দশকৰ আলোচনী 'জয়ন্তী'ৰ যোগেদি।" এই উক্তিৰ সমৰ্থনত 'জয়ন্তী'য়ে কবিতালৈ কি কি নতুনত্ব আনিলে, বিচাৰ কৰা।

(খ) কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ কেনেদৰে প্ৰয়োগ হয়, তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত নৱকান্ত বৰুৱাৰ 'পলস' শীৰ্ষক কবিতাটিৰ আধাৰত বিশ্লেষণ কৰা।

(গ) ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' কবিতাটিৰ লগত যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' কবিতাটিৰ কি কি দিশত সাদৃশ্য আছে, বিচাৰ কৰা।

(ঘ) দেৱকান্ত বৰুৱাই 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটিত কিহৰ দুৱাৰ মুকলি কৰিব খুজিছে, উদাহৰণৰ যোগেদি বিশ্লেষণ কৰি দেখুওৱা।

(ঙ) হেম বৰুৱাৰ 'মমতাৰ চিঠি' শীৰ্ষক কবিতাটিত স্পন্দিত গদ্যছন্দৰ কেনেদৰে প্ৰয়োগ ঘটিছে, বিচাৰ কৰা।

(চ) দ্বিতীয় বিশ্বযুদ্ধই আধুনিক অসমীয়া কবিতাৰ বিষয়বস্তু আৰু প্ৰকাশৰীতিলৈ কি কি নতুনত্ব আনিলে, বিচাৰ কৰা।

★★★